# অসম আদিত্য

আহাৰ, ১৯৪৭ শক ■ বৃহস্পতিবাৰ, ১৭ জুলাই, ২০২৫ ■ Asom Aditya, Dibrugarh, Thursday, July 17, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি


শুভ উদ্বোধন
অধ্যক্ষা চম্পা
াখি 'ক' আৰু
অনুষ্ঠিত কৰা
কে দিচাংমুখ
ত্ৰী ৮ পৃষ্ঠাত

## য়ন্তী

থা যোৰহাট
াসমীয়া ভাষাত
য় বছৰত পাঁচ
খ কবি কবিতা
৮ পৃষ্ঠাত

### অসমৰ পৰা যোৱা দ্য কুইষ্টৰ প্ৰতিনিধিক আদৰণি ঃ ব্ৰিক্‌ছ, চেম্বাৰ্ছ অৱ কমাৰ্চৰ প্ৰতিনিধিৰে আলোচনা

## ৰাছিয়াৰ ছেণ্ট পিটাৰ্ছবাৰ্গত সাহিত্য সভাৰ মৈত্ৰীবন্ধন

**ষ্টাফ ৰিপৰ্টাৰ, ১৬ জুলাই ঃ** ৰাছিয়াৰ সাংস্কৃতিক ৰাজধানীৰূপে খ্যাত ছেণ্ট পিটাৰ্ছবাৰ্গত অসমৰ পৰা যোৱা এক পৰ্যটক দলক উষ্ম আদৰণি জনোৱা হয়। লেলিন গ্ৰেড আঞ্চলিক চেম্বাৰ্ছ অৱ কমাৰ্চ এণ্ড ইণ্ড্ৰাষ্ট্ৰিজৰ সভাকক্ষত ১৫ জুলাইত 'শিক্ষা, উন্নয়ন আৰু মানৱ মূলধন' শীৰ্ষক এক গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হয়। Chambers of Commerce and Industry of LO, Dept of Foreign Economic Activity and Regional Co-operationৰ উপ-সঞ্চালক Alexey Ziminয়ে শুভাৰম্ভ কৰা আলোচনাত তেওঁ কয় যে— এনে কাৰ্যসূচীয়ে অসমৰ লগতে ভাৰতবৰ্ষ আৰু ৰাছিয়াৰ মাজত থকা বন্ধুত্ব আৰু মৈত্ৰীবন্ধন অধিক কটকটীয়া কৰিব। তেওঁ সকলোকে অসম-ৰাছিয়াৰ মাজত বন্ধন অধিক কটকটীয়া কৰিবলৈ অনুৰোধ জনায়। ইয়াৰ পিছতে সকলোৱে পৰিচয় ব্যক্ত কৰা হয়। North-Western Open Technical Universityৰ Rector Marina Makhotaeva, Director of Educational and Production Complex of the North-Western Open Technical Universityৰ তৰফৰ পৰা Denis Davdovয়ে ৮ পৃষ্ঠাত



